ভাৰত চৰকাৰ
বিধি, ন্যায় আৰু কোম্পানী কাৰ্য্য মন্ত্ৰালয়

# কাজী অধিনিয়ম, ১৮৮০

( ১৮৮০ চনৰ ১২ নং অধিনিয়ম )

[ ২৫ নবেম্বৰ, ১৯৯২ তাৰিখে যথাবিদ্যমান ]

# The Kazis Act, 1880

( Act No. 12 of 1880 )

[ As on the 25th November, 1992 ]

ভাৰত চৰকাৰৰ হকে, অসম চৰকাৰ ( বিধান বিভাগ ) ৰ দ্বাৰা প্ৰকাশিত আৰু
অসম চৰকাৰী ছপাশালত মুদ্ৰিত, গুৱাহাটী - ২১

# পাতনি

২৫ নবেম্বৰ, ১৯৯২ তাৰিখে যথাবিদ্যমান কাজী অধিনিয়ম, ১৮৮০ (১৮৮০ চনৰ ১২ নং)ৰ এই সংস্কৰণত এই অধিনিয়মৰ অসমীয়াত প্ৰাধিকৃত পাঠ আছে যি ১৯।৪।১৯৯৩ তাৰিখৰ ভাৰতৰ ৰাজপত্ৰ, অসাধাৰণ, ভাগ-৬, অনুভাগ ১, নং ১, খণ্ড ২, পৃষ্ঠা ৮১-৮২ ত প্ৰকাশিত হৈছিল।

প্ৰাধিকৃত পাঠ (কেন্দ্ৰীয় বিধি) অধিনিয়ম, ১৯৭৩ৰ ধাৰা ২ৰ খণ্ড (ক)ৰ অধীনত ৰাষ্ট্ৰপতিৰ প্ৰাধিকাৰাধীনে এই প্ৰাধিকৃত পাঠ প্ৰকাশ কৰা হৈছিল আৰু এনেদৰে প্ৰকাশ হোৱাত ই অসমীয়াত এই অধিনিয়মৰ প্ৰাধিকৃত পাঠ ৰূপে গণ্য হ'ব।

# PREFACE

This edition of The Kazis Act, 1880 (12 of 1880) as on the 25th November, 1992 contains the authoritative text of that Act in Assamese which was published in the Gazette of India, Extraordinary, part VI, Section 1, No. 1, Vol. 2, dated 19th April, 1993, on page 81 - 82.

This authoritative text was published under the authority of the President under section 2, clause (a) of the Authoritative text (Central Laws) Act, 1973 and on such publication it became the authoritative text of that Act in Assamese.

New Delhi

Date :- 10.5.1993

P. Pramila Reddy,
Additional Legislative Counsel.

# কাজী অধিনিয়ম, ১৮৮০

## ধাৰাসমূহৰ ক্ৰম

ধাৰাসমূহ


১। সংক্ষিপ্ত নাম, স্থানীয় বিস্তাৰ।

২। যিকোনো স্থানীয় এলেকাৰ বাবে কাজীৰ নিযুক্তিৰ ক্ষমতা।

৩। নায়েব কাজীবোৰ।

৪। এই অধিনিয়মৰ একোৱেই ন্যায়িক বা প্ৰশাসনীয় ক্ষমতাবিলাক প্ৰদান নকৰিব, নাইবা কাজীৰ উপস্থিতি আৱশ্যকীয় নকৰিব, নাইবা কোনো এজনক কাজী হিচাবে কাৰ্য্যনিৰ্বাহ কৰিবলৈ নিষেধ নকৰিব।

# কাজী অধিনিয়ম, ১৮৮০

( ১৮৮০ ৰ ১২ নং অধিনিয়ম )
[ ২৫ নবেম্বৰ, ১৯৯২ তাৰিখে যথা বিদ্যমান ]

[ ৯ জুলাই, ১৮৮০ ]

কাজী পদত ব্যক্তি সকলৰ নিযুক্তিৰ কাৰণে এখন অধিনিয়ম।

যিহেতু ১৮৬৪ ৰ ১১ নং অধিনিয়ম ( হিন্দু আৰু মুছলমান বিধি পদাধিকাৰী সকলৰ পদবোৰ আৰু কাজী-উল-কুঝত আৰু কাজী পদ সমূহ সম্পৰ্কে বিধিৰ নিৰসনৰ আৰু পূৰ্বৰ পদ সমূহ বিলোপ কৰাৰ কাৰণে এখন অধিনিয়ম ) ৰ প্ৰস্তাবনাৰ দ্বাৰা ( অন্যান্যৰ লগতে ) এইটো ঘোষণা কৰা হৈছিল যে কাজী-উল-কুঝত বা মহানগৰ, নগৰ বা পৰগণাৰ কাজী বিলাকৰ নিযুক্তিকৰণ চৰকাৰৰ দ্বাৰা কৰাটো অবিধেয় আছিল আৰু সেই একে অধিনিয়মৰ দ্বাৰা উল্লিখিত পদাধিকাৰী সকলৰ চৰকাৰৰ দ্বাৰা নিযুক্তি সম্পৰ্কীয় অধিনিয়মিতিসমূহ নিৰসিত কৰা হৈছিল ; আৰু যিহেতু ভাৰতৰ কিছুমান অংশৰ মুছলমান সম্প্ৰদায়ৰ ৰীতি অনুসৰি চৰকাৰৰ দ্বাৰা নিযুক্ত কাজীৰ উপস্থিতি বিবাহ অনুষ্ঠান আৰু কিছুমান ধৰ্মীয় ৰীতি-নীতি আৰু উৎসৱ পালনত আৱশ্যক হয়, আৰু সেই কাৰণে কাজী পদত ব্যক্তি সকলক নিযুক্তি দিবলৈ চৰকাৰক পুনৰায় ক্ষমতাবান কৰাটো বিধেয় ;

ইয়াৰ দ্বাৰা নিম্নোক্ত ধৰণে অধিনিয়মিত কৰা হ'ল ঃ —

**সংক্ষিপ্ত নাম।**

১। এই অধিনিয়ম কাজী অধিনিয়ম, ১৮৮০ বুলি অভিহিত হব ;

**স্থানীয় বিস্তাৰ।**

ই প্ৰথমতে সপৰিষদ কোৰ্ট চেইন্ট জৰ্জৰ গভৰ্ণৰৰ দ্বাৰা শাসিত অঞ্চলতহে মাত্ৰ বিস্তাৰিত হব। কিন্তু অন্য কোনো ৰাজ্যৰ চৰকাৰে, সময়ে সময়ে, চৰকাৰী ৰাজপত্ৰত অধিসূচনাযোগে, ইয়াৰ প্ৰশাসনাধীন অঞ্চল সমূহৰ সকলোতে নাইবা যিকোনো অংশলৈ ইয়াক বিস্তাৰিত কৰিব পাৰে।

**যিকোনো স্থানীয় এলেকাৰ বাবে কাজীৰ নিযুক্তিৰ ক্ষমতা।**

২। য'ত ৰাজ্য চৰকাৰৰ এইটো প্ৰতীয়মান হয় যে কোনো স্থানীয় এলেকাৰ এটা লেখত লবলগীয়া সংখ্যক মুছলমান বাসিন্দাই এজন বা ততোধিক কাজী তেনে স্থানীয় এলেকাৰ বাবে নিযুক্তি দিয়াটো বিচাৰে তেতিয়া ৰাজ্য চৰকাৰে যদি ইয়াক উচিত বুলি বিবেচনা কৰে, সেই স্থানীয় এলেকাৰ মুখিয়াল মুছলমান বাসিন্দাসকলৰ লগত আলোচনা ক্ৰমে, এজন বা ততোধিক যোগ্য ব্যক্তিক মনোনীত কৰিব আৰু তেওঁক বা তেওঁলোকক সেই স্থানীয় এলেকাৰ বাবে কাজী হিচাপে নিযুক্ত কৰিব।

যদি কোনো প্ৰশ্ন উঠে যে কোনো এজন ব্যক্তি এই ধাৰাৰ অধীনত সঠিক ভাবে কাজী নিযুক্ত হৈছে নে নাই, তেনে ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ সিদ্ধান্তই চুড়ান্ত হব।

ৰাজ্য চৰকাৰে, যদি উচিত বিবেচনা কৰে, এই ধাৰাৰ অধীনত নিযুক্তি দিয়া যি কোনো কাজীক, যিজন তেওঁৰ পদনিৰ্বাহত হোৱা কোনো অসদাচৰণৰ কাৰণে দোষী সাব্যস্ত হৈছে, নাইবা যিজন একেৰাহে ছয় মাহৰ কাৰণে তেওঁ নিযুক্ত হোৱা স্থানীয় এলেকাৰ পৰা অনুপস্থিত থাকে, নাইবা অন্য কোনো ঠাইত বাস কৰিবলৈ তেনে স্থানীয় এলেকা পৰিত্যাগ কৰে, নাইবা যোগ্যহীন বুলি ঘোষণা কৰা হয়, নাইবা পদটোৰ পৰা অব্যাহতি পাবলৈ বিচাৰে, নাইবা যিজনে সেই পদৰ কৰ্ত্তব্য পালন কৰিবলৈ অস্বীকাৰ কৰে, বা ৰাজ্য চৰকাৰৰ বিবেচনাত অনুপযুক্ত হয়, বা ব্যক্তিগত ভাবে অক্ষম হয়, নিলম্বিত বা অপসাৰণ কৰিব পাৰে।

**নায়েব কাজীবোৰ।**

৩। এই অধিনিয়মৰ অধীনত নিযুক্ত হোৱা কোনো কাজীয়ে তেওঁৰ পদ সংক্ৰান্ত বিষয়বোৰৰ সকলোবোৰ বা যি কোনোটোত, তেওঁ যি স্থানীয় এলেকাৰ বাবে নিযুক্ত হৈছে তাৰ সৰ্বত্ৰ বা যিকোনো এক অংশত তেওঁৰ তলত কাৰ্য্যনিৰ্বাহ কৰিবলৈ এজন নায়েব বা নায়েবসমূহ হিচাবে এজন বা ততোধিক ব্যক্তিক নিযুক্তি দিব পাৰে, আৰু তেনেদৰে নিযুক্তি দিয়া যিকোনো নায়েবক নিলম্বিত বা অপসাৰণ কৰিব পাৰে।

যেতিয়া ২ ধাৰাৰ অধীনত কোনো কাজীক নিলম্বিত বা অপসাৰিত কৰা হয়, তেওঁৰ নায়েব বা নায়েব সকলো ( যদি থাকে ) ক্ষেত্ৰ বিশেষে, নিলম্বিত বা অপসাৰিত হোৱা বুলি গণ্য কৰা হব।

**এই অধিনিয়মৰ একোৱেই ন্যায়িক বা প্ৰশাসনীয় ক্ষমতাবিলাক প্ৰদান নকৰিব ; নাইবা কাজীৰ উপস্থিতি আৱশ্যকীয় নকৰিব ; নাইবা কোনো এজনক কাজী হিচাবে কাৰ্য্যনিৰ্বাহ কৰিবলৈ নিষেধ নকৰিব।**

৪। ইয়াত অন্তৰ্বিষ্ট একোৱেই, আৰু ইয়াৰ অধীনত দিয়া কোনো নিযুক্তিয়েই --

(ক) ইয়াৰ অধীনত নিযুক্তি দিয়া কোনো কাজী বা নায়েব কাজীক কোনো ন্যায়িক বা প্ৰশাসনীয় ক্ষমতা প্ৰদান কৰা বুলি ; নাইবা

(খ) কোনো বিবাহ অনুষ্ঠানত বা ধৰ্মীয় ৰীতি বা সকাম পালনত কোনো কাজী বা নায়েব কাজীৰ উপস্থিতি আৱশ্যকীয় কৰা বুলি ; নাইবা

(গ) কোনো ব্যক্তিকেই কাজীৰ কোনোটো কাৰ্য্যনিৰ্বাহ কৰাত নিষেধ কৰা বুলি গণ্য কৰা নহব।